# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 28-12-2024
**Time :** 17-15 Hrs.

***Assamese Evening Bulletin***

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি অসম চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ অধীনত নতুন ৰেচন কাৰ্ড বিতৰণ কৰা হয়। ওদালগুৰি জিলাৰ ভেৰগাঁও বিধানসভা সমষ্টিৰ এহেজাৰ ৭৩৯ টা পৰিয়ালৰ মাজত ৰেচন কাৰ্ড বিতৰণ কৰা হয়। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে ভেৰগাঁৰৰ বিষ্ণুৰাভা কৃষ্টি ভৱনত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৰেচন কাৰ্ড বিতৰণ প্ৰক্ৰিয়া আনুষ্ঠানিকভাৱে আৰম্ভ কৰে। অনুষ্ঠান আৰম্ভ কৰি দিয়া ভাষণত অধ্যক্ষ দৈমাৰীয়ে কয়, যে চৰকাৰে গ্ৰহণ কৰা সকলো আঁচনিৰ বাবে ৰেচন কাৰ্ডক মূল প্ৰমাণপত্ৰ হিচাপে বিবেচনা কৰা হ'ব।

নলবাৰীত আয়োজিত এটা অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই নতুন ৰেচন কাৰ্ড আৰু ই-ৰিক্সা বিতৰণ কৰে।

ধুবুৰী জিলাৰ গ্ৰন্থাগাৰ প্ৰেক্ষাগৃহত আজি নতুন ৰেচন কাৰ্ড বিতৰণৰ তৃতীয় পৰ্যায়ৰ কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰে খাদ্য সুৰক্ষা আইনৰ অধীনত ২০২৩-২৪ বৰ্ষত নতুনকৈ ৪২ লাখ ৮৫ হাজাৰ ৭৪৫ জন নতুন হিতাধিকাৰীক অন্তৰ্ভুক্ত কৰাত সফলতা লাভ কৰিছে। জিলাখনত সৰ্বমুঠ উপকৃত পৰিয়ালৰ সংখ্যা ২৪ হাজাৰ ৭৪৬। ইপিনে, কলিয়াবৰত নতুনকৈ ৩ হাজাৰ ২৩৮ টা পৰিয়ালৰ মাজত ৰেচন কাৰ্ড বিতৰণ কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে বিধায়ক তথা মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকে।

দৰং জিলাৰ মঙলদৈ লোকসভা সমষ্টিত নতুনকৈ নিৰ্বাচিত হিতাধিকাৰীসকলৰ মাজত ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচীত মঙলদৈৰ বিধায়ক বসন্ত দাস, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাসৰ লগতে আন আন বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। বৰপেটা জিলাৰো চাৰিটা বিধানসভা সমষ্টিত নতুনকৈ আবণ্টিত ৰেচন কাৰ্ডসমূহ বিতৰণ কৰা হয়। বৰপেটাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মন্ত্ৰী নন্দিতা গাৰ্লোছাই ৩ হাজাৰ ৩৬১ গৰাকী হিতাধিকাৰীক নতুনকৈ ৰেচন কাৰ্ড বিতৰণ কৰে। তেওঁ এই কাৰ্ডৰ জৰিয়তে দুখীয়া পৰিয়ালটোৱে কি কি সুবিধা লাভ কৰিব সেই সম্পৰ্কে বাখ্যা কৰে। মৰিগাঁৰৰ ভূৰবন্ধা ৰাস মন্দিৰ ক্ষেত্ৰত অনুষ্ঠিত ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচীত সমষ্টিটোৰ বিধায়ক ৰমাকান্ত দেউৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। আজিৰ কাৰ্যসূচীত মৰিগাঁও সমষ্টিৰ মুঠ ১৪ হাজাৰ ৩২৪ গৰাকী হিতাধিকাৰীক ৰেচন কাৰ্ড প্ৰদান কৰা হয়।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ এঘাৰ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৭ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৱছাইট আৰু newsonair মোবাইল এপত শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়,

আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৰ চেনেল যোগেও এই অনুষ্ঠানৰ লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০

তেজপুৰ বিশ্ববিদ্যালয়ৰ দ্বাবিংশতিতম সমাৱৰ্তনত পৌৰহিত্য কৰিবলৈ শোণিতপুৰ জিলাত উপস্থিত হোৱা ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি দুপৰীয়া জিলা আয়ুক্তৰ কাৰ্যালয় সন্মিলন কক্ষত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। জিলা উপায়ুক্ত অংকুৰ ভৰালীৰ উপস্থিতিত অনুষ্ঠিত সভাখনত ৰাজ্যপালগৰাকীয়ে জিলা প্ৰশাসনৰ বিভিন্ন বিভাগৰ মুৰব্বীসকলৰ লগত চৰকাৰী উন্নয়নমূলক আঁচনি সমূহৰ ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰে। পৰ্যালোচনা সভাৰ পাছত ৰাজ্যপাল শ্ৰীআচাৰ্যই সাংবাদিকসকলৰ আগত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিসমূহৰ ৰূপায়ণৰ বিষয়ে উল্লেখ কৰি কামৰ অগ্ৰগতি সম্পৰ্কে সন্তোষ প্ৰকাশ কৰে। কালি বিশ্ববিদ্যালয়খনৰ সমাৱৰ্তন কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত ৰাজ্যপাল শ্ৰীআচাৰ্যই বিয়লি কন্যকা বহুমুখী কৃষি পামো পৰিদৰ্শন কৰে।

০০০

ৰাজ্য চৰকাৰৰ ভাষিক সংখ্যালঘু উন্নয়ন বোৰ্ডৰ উদ্যোগত হোজাইৰ বিবেকানন্দ ক্ৰীড়াঙ্গনত আজি ই ৰিক্সা বিতৰণ কৰা হয়।  অনুষ্ঠানত উপস্থিত থাকি অসম ভাষিক সংখ্যালঘু বোৰ্ডৰ অধ্যক্ষ শিলাদিত্য দেৱ, হোজাই জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীকে ধৰি বিশিষ্ট ব্যক্তিসকলে ক্ষুদ্ৰ উদ্যোগ আৰু উদ্যমিতাই যুৱ সমাজৰ বিকাশ সাধনত সহায় কৰিব বুলি মন্তব্য কৰে। অনুষ্ঠানটোত ৫৪ গৰাকী হিতাধিকাৰীক ই-ৰিক্সা বিতৰণ কৰাৰ লগতে ৩২৮ গৰাকী হিতাধিকাৰীক প্ৰেচাৰ কুকাৰ আৰু ফিল্টাৰ বিতৰণ কৰা হয়।

০০০

ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোচাই আজি বৰপেটাত ৰামৰায় ষ্টেডিয়ামৰ নিৰ্মাণৰ অগ্ৰগতিৰ বুজ লয়। উল্লেখযোগ্য যে,  বিগত ৩৭ বছৰতকৈ অধিক সময় জুৰি নিৰ্মীয়মান অৱস্থাত থকা ষ্টেডিয়ামখন সম্পূৰ্ণ কৰিবলৈ ৰাজ্য চৰকাৰে  ক্ৰীড়া নীতিৰ অধীনত শেহতীয়াকৈ ১১ কোটি টকা আৱণ্টন কৰে। ইয়াৰ পাছৰে পৰা দ্ৰুত গতিত নিৰ্মাণকাৰ্য অব্যাহত থকা ষ্টেডিয়ামখন পৰিদৰ্শন কৰি আজি মন্ত্ৰী গাৰ্লোচাই ফেব্ৰুৱাৰী মাহত ষ্টেডিয়ামখনৰ পেভেলীয়ন  সম্পূৰ্ণ হৈ উঠিব বুলি আশা প্ৰকাশ কৰে। ষ্টেডিয়ামখনে জিলাখনক  ক্ৰীড়াৰ ক্ষেত্ৰত আগবাঢ়ি যোৱাত সহায় কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা ব্যক্ত কৰে।

০০০

সমাপ্ত